**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-12-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱক-যুৱতীসকলৰ সবলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি নতুন নীতিসমূহ প্ৰস্তুত কৰি থকা হৈছে বুলি উল্লেখ কৰিছে।

২। নতুন দিল্লীত আজিৰেপৰা মুখ্য সচিবসকলৰ তিনিদিনীয়া পঞ্চম ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে।

৩। ভাৰতীয় ৰে'লৱেই ২০৩০ চনৰ ভিতৰত ৪৮খন গুৰুত্বপূৰ্ণ মহানগৰৰ পৰা ৰে'লৰ চলাচলৰ সংখ্যা দুগুণ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে কয়লা খনি মুকলি কৰাৰ বাবে থকা প্ৰক্ৰিয়া সহজসাধ্য কৰাৰ বাবে কয়লা খনি নিয়ন্ত্ৰণ আইন ২০২৫ সংশোধন কৰাৰ বাবে অধিসূচনা জাৰি কৰিছে।

*আৰু*

৫। কেৰালাৰ তিৰুৱনন্তপুৰমত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলাৰ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ তৃতীয়খন খেল আৰম্ভ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰ গঠনত যুৱ প্ৰজন্মই যাতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰ বাবে যুৱক-যুৱতীসকলৰ সবলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি নতুন নীতিসমূহ প্ৰস্তুত কৰি থকা হৈছে বুলি উল্লেখ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অনুষ্ঠিত বীৰ বাল দিৱস কাৰ্যসূচীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমোদীয়ে কয় যে জেনেৰেচন জেড আৰু জেন আলফাৰ যুৱশক্তিয়ে ভাৰতক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে দেশক আগবঢ়াই লৈ যোৱা হ'ব। তেওঁ কয় যে যুৱ প্ৰজন্মৰ সৰ্বাংগীন দিশৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে মহাকাশ, ক্ৰীড়া, ফিনটেক, উৎপাদন ক্ষেত্ৰকে ধৰি প্ৰতিটো দিশতে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে যে মেৰা যুৱা ভাৰত উদ্যমৰ অধীনত যুৱ প্ৰজন্মক জড়িত কৰাৰ লগতে তেওঁলোকৰ নেতৃত্বৰ দক্ষতা বৃদ্ধিৰ জৰিয়তে ন-ন সুযোগ প্ৰদান কৰাৰ বাবে চৰকাৰে প্ৰয়াস আগবঢ়াই আহিছে। প্ৰতিটো ক্ষেত্ৰতে যুৱক-যুৱতীসকলৰ বাবে ন-ন সুযোগৰ সৃষ্টি হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট (পি এম)

প্ৰধানমন্ত্ৰীয়ে কয় যে যুৱক-যুৱতীসকলৰ বাবে বৰ্তমান পূৰ্বতকৈ সুযোগ বৃদ্ধি হৈছে। শ্ৰীমোদীয়ে লগতে প্ৰকাশ কৰে যুৱক-যুৱতীসকলক প্ৰতিভা, আত্মবিশ্বাস আৰু নেতৃত্বৰ ক্ষেত্ৰত অধিক দক্ষ কৰি তোলাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। প্ৰধানমন্ত্ৰীয়ে কয় যে শিক্ষা নীতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সংশোধনৰ জৰিয়তে বিকশিত ভাৰতৰ শক্তিশালী ভেটি গঢ়ি তোলা হৈছে। শ্ৰীমোদীয়ে লগতে জানিবলৈ দিয়ে যে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২১ শতিকাৰ আধুনিক শিক্ষা পদ্ধতিৰ ওপৰত ভিত্তিত কৰি প্ৰস্তুত কৰা হৈছে। এই নীতিয়ে ব্যৱহাৰিক শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমস্যা সমাধান কৰাৰ দক্ষতা বিকশাই তোলে।

আজিৰ এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় বাল পুৰস্কাৰপ্ৰাপ্ত ২০গৰাকী শিশুৰ সৈতে মত-বিনিময় কৰে। সাহসিকতা, উদ্ভাৱন, বিজ্ঞান আৰু প্ৰযুক্তি, ক্ৰীড়া আৰু কলাৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুওৱা শিশুসকলক এই পুৰস্কাৰ প্ৰদান কৰা হৈছে।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে শিশুসকলক ৰাষ্ট্ৰ প্ৰথম নীতি চিন্তাধাৰাক নিজৰ জীৱনৰ মাৰ্গদৰ্শন মন্ত্ৰ হিচাপে গ্ৰহণ কৰাৰ আহ্বান জনায়।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চাৰিদিনীয়া কাৰ্যসূচীৰে কাইলৈ গোৱা, কৰ্ণাটক আৰু ঝাৰখণ্ডলৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে ভ্ৰমণৰ প্ৰথম পৰ্যায়ত কাইলৈ সন্ধিয়া গোৱাত উপস্থিত হ'ব। শ্ৰীমতী মুৰ্মুৱে পৰহিলৈ কৰ্ণাটকৰ কাৰ্‌ৱাৰ বন্দৰত এখন চাবমেৰিণত কিছু সময়ৰ বাবে যাত্ৰা কৰিব। ইয়াৰ পাছদিনা তেওঁ ঝাৰখণ্ডৰ জামছেদপুৰত অ' আই চিকি অৰ্থাৎ চাওতালী লিপিৰ শতবৰ্ষ উদযাপন অনুষ্ঠানত ভাগ ল'ব। একে দিনাই তেওঁ এম আই টি জামছেদপুৰৰ পঞ্চদশ সমাৱৰ্তনত অংশ ল'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ৩০ ডিচেম্বৰত ঝাৰখণ্ডৰ গুমলাৰ আন্তঃৰাজ্য জনসাংস্কৃতিক সমাগম সমাৰোহ - কাৰ্তিক যাত্ৰাত সম্বোধন কৰিব।

000000000

নতুন দিল্লীত আজিৰেপৰা তিনিদিনীয়া পঞ্চমসংখ্যক মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আৰু পৰহিলৈ এই সন্মিলনত অধ্যক্ষতা কৰিব। ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰৰ ওপৰত গাঁথনিগত আৰু স্থায়ী আলোচনাৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যৰ অংশীদাৰিত্ব শক্তিশালী কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য। এই সন্মিলনত এটা উমৈহতীয়া উন্নয়নমূলক কাৰ্যসূচী চূড়ান্ত কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে অনুসৰণ কৰিবলগীয়া বিকশিত ভাৰতৰ বাবে মানৱ মূলধন বিষয়টোৰ উত্তম পদ্ধতি আৰু কৌশলসমূহ এই সন্মিলনত আলোচনা কৰা হ'ব। এই বিষয়বস্তুৰ অধীনত পাঁচটা মূল ক্ষেত্ৰ - প্ৰাথমিক শিশু শিক্ষা, স্কুলীয়া শিক্ষা, দক্ষতা, উচ্চ শিক্ষা, ক্ৰীড়া আৰু সহ-পাঠ্যক্ৰমৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। বিগত ৪ বছৰ ধৰি মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। ২০২২ চনৰ জুনত এই সন্মিলন প্ৰথমবাৰলৈ অনুষ্ঠিত হৈছিল।

000000000

ভাৰতীয় ৰে'লৱেই বৰ্ধিত যাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি ২০৩০ চনৰ ভিতৰত ৪৮খন গুৰুত্বপূৰ্ণ মহানগৰৰ পৰা ৰে'লৰ চলাচলৰ সংখ্যা দুগুণ বৃদ্ধি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই মহানগৰসমূহ হৈছে দিল্লী, মুম্বাই, কলকাতা, চেন্নাই, হায়দৰাবাদ, বাংগালোৰ, পাটনা, ভূপাল আৰু পুৰী। মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি অনাগত বৰ্ষসমূহত ইয়াৰ ফলত যাত্ৰীৰ আহ-যাহৰ সুবিধা বৃদ্ধি পাব। ৰে'লৱে বোৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰে সকলো মণ্ডলৰ মহা-প্ৰবন্ধকসকলৈ ৰে'লৰ আহ-যাহৰ সংখ্যা বৃদ্ধি কৰিবলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে।

0000000

কেন্দ্ৰীয় চৰকাৰে কয়লা খনি মুকলি কৰাৰ বাবে থকা প্ৰক্ৰিয়া সহজসাধ্য কৰাৰ বাবে কয়লা খনি নিয়ন্ত্ৰণ আইন ২০২৫ সংশোধন কৰাৰ বাবে অধিসূচনা জাৰি কৰিছে। কয়লা মন্ত্ৰালয়ৰ সূত্ৰ অনুসৰি এই সংশোধনে খনিৰ কাম-কাজৰ কাৰ্যক্ষমতা বৃদ্ধি কৰিব আৰু প্ৰক্ৰিয়াগত আঁসোৱাহসমূহ দূৰ কৰিব। পূৰ্বৰ নিয়ম অনুসৰি এটা কয়লা খনি মুকলি কৰাৰ বাবে কয়লা খনিৰ স্বত্বাধিকাৰীসকলে কয়লা মহানিয়ন্ত্ৰক সংস্থাৰ আগতীয়া অনুমতি ল'ব লাগে। এই সংশোধনীৰ জৰিয়তে পূৰ্বৰ এই নিয়ম বাতিল কৰা হৈছে।

000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নতুন দিল্লীত আজি অসমৰ ৰাভা, মিছিং আৰু তিৱা জনগোষ্ঠীৰ এটা প্ৰতিনিধি গোটৰ সৈতে বৈঠকত মিলিত হয়। গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ প্ৰতিনিধিৰ দাবীসমূহ শুনাৰ লগতে প্ৰকৃত সমস্যাসমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে। এই বৈঠকতে গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ সমস্যা সৌহাদ্যপূৰ্ণ তথা দীৰ্ঘম্যাদিভাৱে সমাধান কৰিবৰ বাবে এগৰাকী জ্যেষ্ঠ বিষয়াক নিয়োগ কৰিব বুলি প্ৰকাশ কৰে।

000000000

কেন্দ্ৰীয় চৰকাৰে ৰাজস্থান আৰু ঝাৰখণ্ডৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে ৭২৩ কোটিতকৈও অধিক পুঁজি মোকলাই দিছে। পঞ্চায়তীৰাজ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু গ্ৰাম্য স্থানীয় নিকায়সমূহক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত চলিত বিত্তীয় বৰ্ষৰ বাবে এই পুঁজিৰ আবণ্টন দিয়া হৈছে। মন্ত্ৰালয়ে লগতে জনোৱা মতে ৩ হাজাৰ ৮৫৭খন গাঁও পঞ্চায়তৰ বাবে ৪৪৮ কোটি টকা মোকলাই দিয়া হৈছে। আনহাতে, ঝাৰখণ্ডৰ ৪ হাজাৰ ৩৪২খন গাঁও পঞ্চায়তৰ বাবে ২৭৫ কোটিতকৈও অধিক পুঁজি মোকলাই দিয়া হৈছে।

০০০০০০০০০

বাংলাদেশৰ সমাগত ত্ৰয়োদশ ৰাষ্ট্ৰীয় সংসদীয় নিৰ্বাচনৰ বাবে জামাত-ই-ইছলামী আৰু নেশ্যনেল চিটিজেন পাৰ্টীৰ মাজত আসনৰ ভাগ-বটোৱাৰা লৈ আলোচনা অনুষ্ঠিত হৈছে। নেশ্যনেল চিটিজেন পাৰ্টীৰ অভ্যন্তৰীণ বিবাদৰ ফলত দলটো দুভাগ হোৱাৰ পৰিপ্ৰেক্ষিতত এই আলোচনা অনুষ্ঠিত হৈছে। এন চি পিৰ জ্যেষ্ঠ নেতাই জানিবলৈ দিছে যে কমেও ৫০খন আসনৰ বাবে জামাতৰ শীৰ্ষ নেতাৰ সৈতে আলোচনা অনুষ্ঠিত হৈছে। অনাগত দিনত এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে এন চি পিৰ একাংশ নেতাই জামাতৰ সৈতে মিত্ৰজোঁট গঠনৰ পোষকতা কৰিছে যদিও আন নেতাসকলে ইয়াৰ বিৰোধিতা কৰিছে।

০০০০০০০০০

চিৰিয়াৰ ৱাদ-অল-ধাহাবৰ এটা মছজিদত শুকুৰবাৰৰ নামাজৰ সময়ত বিস্ফোৰণ সংঘটিত হোৱাত কমেও পাঁচগৰাকী লোক নিহত হোৱাৰ লগতে ২১গৰাকী লোক আহত হৈছে। চিৰিয়াৰ ছানা সংবাদ সংস্থাৰ সূত্ৰ অনুসৰি জৰুৰীকালীন দল অঞ্চলটোলৈ তৎকালে ৰাওনা হৈ উদ্ধাৰ অভিযান চলাই আহতসকলক সমীপৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বিস্ফোৰণৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। নিৰাপত্তা বাহিনীসমূহে অঞ্চলটো ঘেৰাও কৰি ৰাখিছে।

০০০০০০০

তিৰুৱনন্তপুৰমৰ গ্ৰীণফিল্ড ইণ্টাৰনেশ্যনেল ষ্টেডিয়ামত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলাৰ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ তৃতীয়খন খেল আৰম্ভ হৈছে। ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত হৈছে। আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে শ্ৰীলংকাই ২ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১৪ ৰাণ সংগ্ৰহ কৰিছে।

আয়োজক দেশ ভাৰতে পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথম দুখন খেলত জয়লাভ কৰি শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰি আছে। ভাৰতে প্ৰথমখন খেলত শ্ৰীলংকাক ৮ উইকেটত আৰু দ্বিতীয়খন খেলত আলহী দলটোক ৭ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০০

কাৰাগাৰত থকা মালয়েছিয়াৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী নাজিব ৰাজাকক কোৱালালামপুৰ উচ্চ ন্যায়ালয়ে আজি কেইবাশ কোটিটকীয়া মালয়েছিয়া উন্নয়ন বাৰ্হাড কেলেংকাৰিৰ গোচৰত ক'লা ধন বৈধকৰণ কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰিছে। ৭২ বছৰীয়া প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী ২০২২ বৰ্ষৰ আগষ্টৰ পৰা কাৰাবন্দী হৈ আছে।

০০০০০০০

সমাপ্ত